www.prepp.in

prepp
Your Personal Exams Guide

UPSC CSE 2014 MAINS PAPER 6 DECEMBER 19, 2014 ASSAMESE OPTIONAL PAPER I QUESTION PAPER

C-DRN-N-L-CTTA

CS (Main) Exam : 2014

# ASSAMESE

## Paper I

## ( LITERATURE )

*Time allowed : **Three Hours***

*Maximum Marks : **250***

---

## QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions :***

*There are **EIGHT** questions divided in **TWO SECTIONS**.*

*Candidate has to attempt **FIVE** questions in all.*

*Questions no. **1** and **5** are compulsory and out of the remaining, **THREE** are to be attempted choosing at least **ONE** from each section.*

*The number of marks carried by a question/part is indicated against it.*

*Answers must be written in **ASSAMESE**.*

*Word limit in questions, wherever specified, should be adhered to.*

*Attempts of questions shall be counted in chronological order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.*

Prepp Your Personal Exam Guide

www.prepp.in

## SECTION A

**Q1.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিবা । *10×5=50*

(a) 'অসমীয়া ভাষাটো মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা বুলি কোৱা হয় – এই মত কিমানদূৰ গ্ৰহণযোগ্য আলোচনা কৰাঁ । *10*

(b) প্ৰত্ন অসমীয়াৰ প্ৰথম সাহিত্যিক নিদৰ্শন চৰ্যাগীতৰ ভাষাৰ লগত অসমীয়া ভাষাৰ মিল-অমিল বিচাৰ কৰাঁ । *10*

(c) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত আৰ্যভিন্ন ভাষাৰ উপাদান সম্পৰ্কে আলোচনা কৰাঁ । *10*

(d) উচ্চাৰণৰ স্থান অনুযায়ী অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিবোৰক ভাগ কৰি দন্তমূলীয় ধ্বনিকেইটাৰ বিষয়ে লিখাঁ । *10*

(e) অংকীয়া নাটৰপাৎ গুৰুত্বৰিত কথালিকে এই সময়ছোৱাৰ অসমীয়া গদ্যৰ বিকাশৰ এটি চমু আভাস দিয়াঁ । *10*

**Q2.** (a) উৎসলৈ লক্ষ্য কৰি অসমীয়া ভাষাৰ শব্দভাণ্ডাৰক কেইটা আৰু কি কি ভাগত ভগাব পাৰি ? অসমীয়া ভাষাত বিদেশী শব্দৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ । *20*

(b) কথাগীতা-কথা ভাগৱতৰ পৰা অৰুনোদইৰ আগলৈকে, এই সময়ছোৱাৰ গদ্যৰ বিষয়ে আলোচনা কৰাঁ । *15*

(c) অসমীয়া ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ এখন তালিকা প্ৰস্তুত কৰি তাৰে দহোটাৰ প্ৰয়োগ দেখুওৱাঁ । *15*

**Q3.** (a) অসমীয়া ধাতুবোৰক কেইটা ভাগত ভগাব পাৰি ? প্ৰতিটো ভাগৰ ধাতুৰ বিষয়ে চমুকৈ লিখাঁ । *15*

(b) শব্দৰ পাছত যোগ হয় কাৰণে নিৰ্দিষ্টতাবাকে প্ৰত্যয়বোৰক তদ্ধিত প্ৰত্যয়ৰ ভিতৰত ধৰা হয় । কিন্তু এই প্ৰত্যয়বোৰে নতুন অৰ্থবাচক শব্দ গঠন কৰেণে ? অসমীয়াত এটা বুজোৱা নিৰ্দিষ্টতাবাচক (unit of one) প্ৰত্যয়বোৰৰ বিষয়ে লিখাঁ । *20*

(c) অসমীয়া লিপিৰ এক দীঘলীয়া ইতিহাস আছে – কথাষাৰৰ সক্ষমতা প্ৰমাণ কৰি এক আলোচনা দাঙ্গি ধৰাঁ । *15*

www.prepp.in

Prepp
Your Personal Exams Guide

**Q4.** (a) 1206 খ্ৰীষ্টাব্দৰ পৰা 1846 খ্ৰীষ্টাব্দৰ পৰা অসমীয়া লিপিৰ বিকাশৰ এটি চমু বিৱৰণ দিয়াঁ । *20*

(b) অসমীয়া ভাষাৰ প্ৰধান উপভাষাকেইটা ? কামৰূপী উপভাষাৰ স্থানীয় ৰূপকেইটাৰ নামোল্লেখ কৰি উপভাষাটোৰ ভাষিক বৈশিষ্ট্যৰ বিষয়ে লিখাঁ । *15*

(c) 'গুৰু-চৰিত-কথা' ৰ গদ্যৰ ভাষা কেনেধৰণৰ ? উদাহৰণৰ সৈতে বিবৰি লিখাঁ । *15*

Prepp Your Personal Exam Guide

www.prepp.in

Prepp
Your Personal Exams Guide

## SECTION B

**Q5.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ 150টা শব্দৰ ভিতৰত লিখিবা । *10×5=50*

(a) অসমীয়া ৰোমান্টিক কবিতাত ইংৰাজ কবি সকলৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাঁ । *10*

(b) উপন্যাসত চৰিত্ৰৰ গুৰুত্বৰ বিষয়ে পৰ্যালোচনা কৰাঁ । *10*

(c) শংকৰদেৱৰ বৰগীতৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখাঁ । *10*

(d) "সমালোচনাই সৃষ্টিশীল সাহিত্যৰ পথ মুকলি কৰে" – এই কথাষাৰৰ আলম লৈ সমালোচকৰ দায়িত্ব সম্পৰ্কে আলোচনা কৰাঁ । *10*

(e) অসমীয়া সাহিত্যলৈ 'জোনাকী' কাকতৰ অৱদানৰ বিষয়ে লিখাঁ । *10*

**Q6.** (a) শংকৰোত্তৰ যুগৰ নাটক সম্পৰ্কে আলোচনা কৰি শংকৰদেৱৰ নাটৰ কলা-কৌশলৰ পৰা সেই নাটবোৰ কিমান দূৰ আঁতৰি আহিছে বিচাৰ কৰাঁ । *20*

(b) ঝুমুৰাৰ প্ৰধান লক্ষণ কি কি ? মাধৱদেৱৰ ঝুমুৰাত সেই লক্ষণবোৰ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰাঁ । *15*

(c) লক্ষ্মীনাথ বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ ভেঁট কটকটীয়া কৰিলে – কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি এক প্ৰবন্ধ প্ৰস্তুত কৰাঁ । *15*

**Q7.** (a) "লক্ষ্মীনাথ বেজবৰুৱা পুৰণি সাধুকথা আৰু আধুনীক চুটিগল্পৰ সংযোজক সেতুৰ দৰে ।" – এই কথাষাৰৰ যুক্তিযুক্ততা বিশ্লেষণ কৰাঁ । *20*

(b) স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ এটি চমু বিৱৰণ দিয়াঁ । *15*

(c) পাঁচালী সাহিত্য মানে কি ? অসমীয়া পাঁচালী কবিসকলৰ কাব্যকৃতিৰ পৰিচয় দিয়াঁ । *15*

**Q8.** (a) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত থকা অতি প্ৰাকৃত উপাদানৰ উল্লেখ কৰি তেওঁৰ কাব্য প্ৰতিভাৰ এটি পৰিচয় দিয়াঁ । *20*

(b) চমু টোকা লিখাঁ : *15*

চৰ্যাগীত, মাধৱ কন্দলি, বাণীকান্ত কাকতি, জীৱনৰ বাটত, নিৰুপমা বৰগোহাঞি

(c) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ এক আলোচনা যুগুত কৰাঁ । *15*